## মহামাৰীৰ ফলত ক্ৰাফ্‌ট পেপাৰৰ মূল্য বৃদ্ধি, যোগান প্ৰক্ৰিয়া ব্যাহত

# সমস্যাত দেশৰ 'কৰোগেটেড বক্স' উদ্যোগ

গুৱাহাটী ঃ মাত্ৰ দুমাহৰ ভিতৰতে ক্ৰাফ্‌ট পেপাৰ মিলসমূহৰ দ্বাৰা সামগ্ৰীৰ মূল্যবৃদ্ধি কৰাত আৰু নিৰ্মাণ ব্যয় বাঢ়িবলৈ ধৰাত সমস্যাৰ সন্মুখীন হৈছে দেশৰ কৰোগেটেড বক্স (ডাঠ কাগজেৰে তৈয়াৰ কৰা বাকচ) উদ্যোগটো। ক'ভিড মহামাৰীৰ সময়ত এতিয়া এনে সামগ্ৰীৰ মূল্য বৃদ্ধিত অধিক লোকচান ভৰিবলগীয়া হৈছে এই উদ্যোগটোৱে। ইপিনে ক্ৰাফ্‌ট পেপাৰ মিলসমূহে প্ৰকাশ কৰা অনুসৰি ক'ভিড মহামাৰীৰ বাবে বিগত কেইটামান মাহত ঘৰুৱা আৰু আমদানিকৃত প্ৰতি



নিযুত টন বৰ্জ্য কাগজৰ মূল্য ৪,৫০০-৫,০০০ টকা বৃদ্ধি পাইছে। তদুপৰি চীনে অহা ২০২১ ৰ ১ জানুৱাৰীৰ পৰা কোনো দেশৰ পৰা এনে বৰ্জ্য কাগজৰ আমদানি বন্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ইয়াৰ কাৰ্যকৰণৰ পূৰ্বে আন্তঃৰাষ্ট্ৰীয় বজাৰত উপলব্ধ সকলো বৰ্জ্য কাগজৰ যোগান সামৰি লয়, ফলত এতিয়া সমস্যাত পৰিছে ভাৰতৰ উদ্যোগটো। উল্লেখ্য যে সম্প্ৰতি ৩৫০ তকৈ অধিক অট'মেটিক কৰোগেটৰ্ছ আৰু ১০ হেজাৰতকৈ অধিক অৰ্ধ অট'মেটিক গোট এনে মূল্যবৃদ্ধিৰ 'ফলত বাৰুকৈয়ে প্ৰভাৱিত হৈছে। বিগত সময়ছোৱাত ক্ৰাফ্‌ট পেপাৰ মূল্যবৃদ্ধিৰ সমান্তৰালকৈ মানৱ সম্পদ পৰিচালন ব্যয়, সামগ্ৰীৰ পৰিবহণকে ধৰি অন্যান্য ক্ষেত্ৰৰ ব্যয়ৰ পৰিমাণো ৬০-৭০ শতাংশ বৃদ্ধি পাইছে।